63/1 (SEM-5) DSE 1A/ASMRE5016

# 2 0 2 2

( Held in 2023 )

## ASSAMESE

Paper : ASMRE5016

**( Study on General Linguistics )**

*Full Marks* : 80
*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলত দিয়াসমূহৰ শুদ্ধ উত্তৰটো বাছি উলিওৱা : ১×৬=৬

(ক) আধুনিক ভাষাবিজ্ঞানৰ পিতৃ বুলি কাক অভিহিত কৰা হয়?

(i) মেক্সমূলাৰ

(ii) ডঃ জনচন

(iii) ফাৰ্ডিনাণ্ড দ্য চচ্যুৰ

(iv) এডৱাৰ্ড চাপিৰ

(খ) বাণীকান্ত কাকতিৰ গৱেষণা গ্ৰন্থখনৰ নাম হ'ল

(i) *A Study on Kamrupi : A Dialect of Assamese*

(ii) *Assamese, Its Formation and Development*

(iii) *A Descriptive Analysis of the Bodo Language*

(iv) *Assamese Language : Origin and Development*

(গ) ভাষাৰ মূল একক কি?

(i) ধ্বনি

(ii) ৰূপ

(iii) শব্দ

(iv) অৰ্থ

(ঘ) বাক্যৰ প্ৰধান উপাদান হৈছে

(i) পদ

(ii) শব্দ

(iii) ধ্বনি

(iv) ৰূপ





(ঙ) অসমীয়া ভাষাৰ 'ৰ' ধ্বনিটোক কোৱা হয়

(i) উষ্মধ্বনি

(ii) পাৰ্শ্বিক ধ্বনি

(iii) কম্পিত ধ্বনি

(iv) নাসিক্য ধ্বনি

(চ) "দৰিদ্ৰৰ ভগা পঁজাত অকণমান পদধুলা পেলালে পৰম কৃতাৰ্থ হ'ম।" বাক্যশাৰী শব্দাৰ্থ পৰিৱৰ্তনৰ

(i) নম্ৰতা প্ৰদৰ্শনৰ উদাহৰণ

(ii) সামাজিক সংস্কাৰৰ উদাহৰণ

(iii) সাদৃশ্যৰ উদাহৰণ

(iv) ওপৰৰ এটাও নহয়

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) মুক্ত প্ৰাকৃতি (Free form) আৰু বদ্ধ প্ৰাকৃতি (Bound form) কি, লিখা।

(খ) ভেদাত্মক ভাষাবিজ্ঞান বুলিলে কি বুজা?

(গ) পদৰ যোগ্যতা কোন দুটা কথাৰ ওপৰত নিৰ্ভৰ কৰে?

(ঘ) বৰ্ণবিজ্ঞান কি?

(ঙ) শব্দৰ অৰ্থ পৰিৱৰ্তনৰ দুটা কাৰণ উল্লেখ কৰা।

৩। তলৰ যি কোনো ছয়টা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৬=৩০

(ক) সমাজ ভাষাবিজ্ঞান বুলিলে কি বুজা?

(খ) ধ্বনি, বৰ্ণ আৰু উপধ্বনিৰ মাজৰ সম্পৰ্কটো আলোচনা কৰা।

(গ) উপভাষা একোটা সৃষ্টিৰ ক্ষেত্ৰত কোনবোৰ কাৰকে মুখ্য ভূমিকা পালন কৰে, চমুকৈ আলোচনা কৰা।

(ঘ) তুলনামূলক আৰু ভেদাত্মক ভাষাবিজ্ঞানৰ সম্পৰ্ক সম্বন্ধে আলোচনা কৰা।

(ঙ) উপসৰ্গ (Prefix) বুলিলে কি বুজা? অসমীয়া ভাষাৰ উদাহৰণেৰে সৈতে আলোচনা কৰা।

(চ) অসমীয়া ভাষাত কি কি উপায়েৰে বহুবচন কৰা হয়, উদাহৰণসহ বুজাই লিখা।

(ছ) পদৰ ৰূপগত যোগ্যতাৰ বিষয়ে উদাহৰণ দি বুজাই লিখা।

(জ) বাক্যৰ শ্ৰেণীবিভাগ সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(ঝ) ধ্বনিতত্ত্ব বুলিলে কি বুজা? চমুকৈ আলোচনা কৰা।

৪। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×২=২০

(ক) প্ৰত্যয় বুলিলে কি বুজা? কৃৎপ্ৰত্যয় আৰু তদ্ধিত প্ৰত্যয়সমূহৰ বিষয়ে আলোচনা কৰা। ২+৮=১০

(খ) চমু টোকা লিখা (যি কোনো দুটা) :

কাৰক ; লিংগ ; প্ৰকৃতি ; আকাংক্ষা।

(গ) ভাষা বুলিলে কি বুজা? ভাষাৰ বৈশিষ্ট্যবোৰৰ বিষয়ে চমুকৈ আলোচনা কৰা।





৫। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখা : ১৪

(ক) অৰ্থতত্ত্ব বুলিলে কি বুজা? শব্দৰ অৰ্থৰ পৰিৱৰ্তনৰ ত্ৰিধাৰাৰ বিষয়ে বহলাই আলোচনা কৰা। ২+১২=১৪

(খ) উপভাষা বিজ্ঞান বুলিলে কি বুজা? উপভাষা অধ্যয়নৰ প্ৰয়োজনীয়তা সম্পৰ্কে বহলাই তোমাৰ ভাষাত লিখা। ২+১২=১৪

★★★